# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI
0000000000

**Date : 23-05-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**::::::::::::::::::::::::::::::::::::**

ৰাজ্যত চলিত বৰ্ষত বান ৰোধ কৰাৰ বাবে ২৫০ কিলোমিটাৰ মথাউৰি নিৰ্মাণ কৰা হৈছে। জলসম্পদ বিভাগ আৰু আই আই টি গুৱাহাটীৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হোৱা এটা অনুষ্ঠানত ভাগ লৈ জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে মথাউৰিসমূহ যাতে বাৰিষাৰ বানে ছিঙিব নোৱাৰে তাৰ বাবে অত্যাধুনিক পদক্ষেপ গ্ৰহণ কৰা হৈছে আৰু নিৰ্মাণ কৰা মথাউৰিসমূহৰ নিম্নভাগত এটাকৈ জিঅ' মেগা টিউব বহুওৱা হৈছে। বানে মেগা টিউবৰ ওপৰত থকা মাটিৰ কিছু অংশ খহাই নিলেও এই মেগা টিউবে মথাউৰি ছিগি যোৱাৰ পৰা ৰোধ কৰিব পাৰিব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। যোৱা চাৰিটা বৰ্ষত জলসম্পদ বিভাগে বান প্ৰতিৰোধৰ বাবে যথেষ্ট কাম কৰিছে বুলি উল্লেখ কৰি হাজৰিকাই কয়, যে ইয়াৰ ফলত এতিয়া ধেমাজি, লখিমপুৰ, মৰিগাঁও, মাজুলী, নলবাৰীকে ধৰি বিটিআৰ আৰু বৰাক উপত্যকাৰ জিলাসমূহত বানে বিশেষ ক্ষতি কৰিব পৰা নাই। তেওঁ কয়, যে সমগ্ৰ ৰাজ্যতে বান প্ৰতিৰোধৰ ক্ষেত্ৰত ৬০ৰ পৰা ৭০ শতাংশ কাম সম্পূৰ্ণ কৰা হৈছে আৰু অনাগত সময়ত ৰাজ্যখনৰ ৪ হাজাৰ ৫০০ কিলোমিটাৰ মথাউৰিৰ কাষে কাষে একোটাকৈ জিঅ' মেগা টিউব স্থাপন কৰি মথাউৰিসমূহ সম্পূৰ্ণৰূপে সুৰক্ষিত কৰি তোলা হ'ব।

০০০০০

ধুবুৰী জিলাৰ ফকিৰগঞ্জ আৰক্ষীৰ সহযোগত গুজৰাট আৰক্ষীয়ে আজি ফকিৰগঞ্জ আৰক্ষী থানাৰ অন্তৰ্গত নস্কৰা গাঁৰৰ পৰা এজন যুৱকক গ্ৰেপ্তাৰ কৰে। যুৱকজন নস্কৰা গাঁৰৰ জনাব আলিৰ পুত্ৰ জাহাংগীৰ আলম খান বুলি জানিব পৰা গৈছে। জাহাংগীৰ আলম খানে গুজৰাটৰ শংকৰ মহালা নামৰ এজন লোকৰ পৰা ভুৱা অনলাইন ট্ৰেডিঙৰ জৰিয়তে কেইবালাখ টকা আত্মসাৎ কৰিছিল। পৰৱৰ্তীয় সময়ত শংকৰ মহালাই গুজৰাট আৰক্ষীক এই সন্দৰ্ভত অৱগত কৰে আৰু আৰক্ষীয়ে অভিযান চলাই জাহাংগীৰ আলম খানক আজি গ্ৰেপ্তাৰ কৰে।

০০০০

ওদালগুৰি জিলাৰ ডিমাকুছি থানাৰ অন্তৰ্গত খাগ্ৰাবাৰী খাছিয়াচুৱাত আজি আবেলি এখন ট্ৰেক্টৰ দুৰ্ঘটনাত পতিত হোৱাৰ ফলত দুজন লোকৰ থিতাতে মৃত্যু হোৱাৰ লগতে এজন লোক গুৰুতৰভাৱে আহত হয়। পথাৰত হাল বাই থকা অৱস্থাত নিয়ন্ত্ৰণ হেৰুৱাই ট্ৰেক্টৰখন বাগৰি পৰাত এই দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাত মৃত্যু হোৱা লোক দুজন হৈছে চান্দাম আলি আৰু প্ৰণৱ বড়ো। আনহাতে দুৰ্ঘটনাটোত দেৰচাং দৈমাৰী গুৰুতৰভাৱে আহত হয়।

০০০০

দুলিয়াজানত প্ৰতিবাদ সাব্যস্ত কৰিবলৈ যোৱা বীৰ লাচিত সেনা অসমৰ মুৰববী শৃংখল চলিহাক ডিব্ৰুগড় আৰক্ষীয়ে কিছুসময় পূৰ্বে মুকলি কৰি দিছে। ডিব্ৰুগড়ৰ অতিৰিক্ত আৰক্ষী অধীক্ষক নিৰ্মল ঘোষে জনোৱা মতে, শিৱসাগৰৰ পৰা দুলিয়াজানলৈ প্ৰতিবাদৰ বাবে গৈ থকা সময়ত আজি দুপৰীয়া শৃংখল চলিহাক আটক কৰা হৈছিল। উল্লেখযোগ্য যে ডিব্ৰুগড় জিলাৰ দুলিয়াজানৰ এটা তেলডিপোত দুটা পক্ষৰ মাজত হোৱা মাৰপিটৰ ঘটনাক কেন্দ্ৰ কৰি আজি কেইবাটাও দল সংগঠনে দুলিয়াজান বন্ধৰ আহ্বান জনাইছিল। বন্ধ সফল কৰিবলৈ দুলিয়াজান অভিমুখে গৈ থকাৰ সময়তে চেপনত শৃংখল চলিহাক আটক কৰি আৰক্ষীয়ে ডিব্ৰুগড় থানালৈ লৈ গৈছিল।

০০০০

ডিব্ৰুগড় জিলাৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে আজি পানীতোলা শিক্ষা খণ্ডৰ অন্তৰ্গত চাবুৱা চাহ বাগিছা আদৰ্শ বিদ্যালয় পৰিদৰ্শন কৰি বিদ্যালয়খনৰ আন্তঃগাথনিৰ লগতে শৈক্ষিক পৰিৱেশৰ সবিশেষ বুজ লয়। আয়ুক্তগৰাকীয়ে বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰি বিদ্যালয়খনৰ সৰ্বাঙ্গীন বিকাশৰ বাবে পৰামৰ্শ আগবঢ়ায়।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত অপাৰেচন সিন্দূৰ আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটাত সংবাদ মাধ্যমৰ ভূমিকা শীৰ্ষক এটা বিশেষ আলোচনা প্ৰচাৰ কৰিব। ইয়াত ভাগ ল'ব বিশিষ্ট গৱেষক, তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° চন্দন শৰ্মা আৰু সংবাদ মাধ্যম বিশেষজ্ঞ ৰামন বৰাই। অনুষ্ঠানটিৰ আঁত ধৰিব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০

খেলো ইণ্ডিয়া বীচ্ছ গেমছত অসমে এটা সোণসহ ৮ টা পদক জয়েৰে অভিযান সমাপ্ত কৰিছে। দমন আৰু দিউৰ লগতে দাদাৰা আৰু নগৰ হাবেলীত অনুষ্ঠিত উদ্বোধনী বৰ্ষৰ প্ৰতিযোগিতাখনত অসম পদক তালিকাৰ দহ নম্বৰ স্থানত আছে। উদ্বোধনী বৰ্ষৰ খেলো ইণ্ডিয়া বীচ্ছ গেমচত মুঠ ছবিধ খেল অন্তৰ্ভুক্ত কৰা হৈছে। এই তালিকাত মণিপুৰ পাচটা সোণসহ ১৩ টা পদকেৰে শীৰ্ষ স্থানত আছে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌৰ একানা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্চ হায়দৰাবাদে- ৰয়েল ছেলেঞ্জাৰ্চ বেংগালুৰুক জয়ৰ বাবে ২৩২ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। টছত জিকি ৰয়েল চেলেঞ্জাৰ্চ বেংগালুৰুৱে - ছানৰাইজাৰ্চ হায়দৰাবাদক প্ৰথমে বেটিং কৰিবলৈ আমন্ত্ৰণ জনায়। নিৰ্ধাৰিত ২০ অভাৰত ছানৰাইজাৰ্চ হায়দৰাবাদে ৬ টা উইকেট হেৰুৱাই ২৩১ ৰাণ সংগ্ৰহ কৰে।

০০০০

বজালী জিলাৰ বামুনকুছি নিৱাসী, পাটাছাৰকুছি বিদ্যাপীঠৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক, অসম সাহিত্য সভাৰ হিতৈষী সভ্য নলিনী কুমাৰ শৰ্মাৰ আজি বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স

আছিল ৮৫ বছৰ। মৃত্যুৰ সময়ত তেওঁৰ পত্নীসহ, পুত্ৰ বোৱাৰীৰ লগতে অনেক গুণমুগ্ধক এৰি থৈ যায়। সৰবৰহী শিক্ষকগৰাকীৰ বিয়োগত অঞ্চলটোত শোঁকৰ ছাঁ পৰিছে। তেওঁৰ মৃত্যুত পাটাছাৰকুছি বিদ্যাপীঠৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলন, পাটাছাৰকুছি শাখা সাহিত্য সভা, প্ৰাগজ্যোতিষ ক্লাৱকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

০০০০

সমাপ্ত